*এ কী সম্মান তার, এ কী সৌভাগ্য। এত বড় নৌকা, তিনজন জবরদস্ত মাঝি, তিনশ চারশ টাকার মাল — এ সমস্তের উপর কতৃত্বের অধিকার তাহার একা। ...... (পৃঃ ৮৫)*

এই তিনি টকাৰ পৰা দুঅনা পইচা কুবেৰে আত্মসাৎ কৰিলেও নিজৰ বিশ্বাসযোগ্যতা প্ৰতিপন্ন কৰিবলৈ 'তাৰাতাৰি' হিচাপো দাখিল কৰে। হোসেনৰ দৰে প্ৰতিপত্তিশীল মানুহক ফাঁকি দিব পাৰি গৰ্ব অনুভৱ কৰে। কিন্তু কুবেৰে নাজানে যে তিনি টকাৰ পৰা দুই অনাৰ বেছি ফাঁকি দিবৰ সাহস তাৰ নাই বাবেই হোসেনে তাক বিশ্বাস কৰে। কুবেৰে কোনো দিনে পাঁচ টকা চুৰ কৰিব নোৱাৰে। কেৱল সাহসৰ অভাৱতে নহয়, দুই অনাৰ বেলিকা মনে মনে থাকিলেও পাঁচ টকাৰ বেলিকা কুবেৰৰ বিবেকে গৰ্জন কৰি উঠিব।

কুবেৰে গতিশীল জীৱনক ভাল পায়, নদীক ভাল পায় —

*নদীকে যে বড় ভালবাসে, নদীৰ বুকে ভাসিয়া চলাৰ মত সুখ আৰ নাই। (পৃঃ ৯২)*

পদ্মাৰ বুকুত নাও বাই জীৱন অতিবাহিত কৰা কুবেৰে মানুহক ভাল পায়। মানুহৰ মাজত থকা ভেদাভেদ, জাতি-ভেদ কুবেৰৰ মনত নাই। তাৰ মনত হিন্দু-মুছলমান সকলো সমান, সকলো কেৱল মানুহ। কুবেৰে ভাৱে —

*কী ক্ষতি, মুছলমানেৰ ৰান্না খাইলে ? ডাঙাৰ গ্ৰামে যাহাৰা মাটি ছানিয়া জীৱিকা অৰ্জন কৰে তাহাদেৰ মধ্যে ধৰ্মেৰ পাৰ্থক্য থাক, পদ্মানদীৰ মাঝিৰা সকলে একধৰ্মী। (পৃঃ ৯২)*

এই 'এক ধৰ্ম' হৈছে মানৱ ধৰ্ম। সকলো মানুহেই জীৱন সংগ্ৰামত লিপ্ত। এইদৰে সমগ্ৰ উপন্যাসখনতে কুবেৰৰ চৰিত্ৰৰ যোগেদি মানৱতাবাদী চিন্তা ধ্বনিত হৈছে।

অৱস্থা বা পৰিবেশৰ দাস কুবেৰে সময়ে যি কৰিবলৈ কৈছে তাকেই কৰিছে। কপিলাক ওচৰত নোপোৱালৈকে পত্নী মালাৰ সৈতে কুবেৰৰ কোনো অভাৱ নাছিল। চঞ্চলা, আবেদনময়ী কপিলাৰ উপস্থিতিয়ে কুবেৰৰ মন কাঢ়ি ল'লে। সামান্য ইতঃস্তত কৰিলেও সময়ৰ দান কপিলাৰ ওচৰ চাপি গৈছে। জীয়েক গোপীৰ বাবে পণ বিচৰাৰ লোভ সামৰিব নোৱাৰি ময়নাদ্বীপলৈ লৈ যাব বুলি জানিও হোসেন মিঞাই দেখুৱাই দিয়া বঙ্কুলৈ গোপীক বিয়া দিছে। ৰাসুৰ ষড়যন্ত্ৰ বুলি জানিও আত্মপক্ষ সমৰ্থনৰ চেষ্টা নকৰি হোসেন মিঞাৰ পৰামৰ্শ মানি লৈ ময়নাদ্বীপলৈ যাবলৈ সন্মত হৈছে। নিজৰ সংস্পৰ্শলৈ অহা মানুহ বিলাকৰ গোপন উদ্দেশ্য কুবেৰে বুজিব পাৰে কিন্তু মনৰ



কোনোবাটো কোণত লুকাই থকা দুৰ্বলতাৰ বাবেই কুবেৰ মূক হৈ ৰয়। পদ্মাৰ সোঁতত নাও এৰি দিয়াৰ দৰে সময়ৰ সোঁতত নিজক এৰি দি অৱশেষত হোসেন মিঞাৰ কবলত আবদ্ধ হৈছেগৈ।

কুবেৰৰ চৰিত্ৰটি ঔপন্যাসিকে বাস্তৱানুগ কৰি বৰ্ণনা কৰিছে। কাহিনীৰ গতিত কুবেৰৰ চৰিত্ৰটি সকলো সময়তে উজ্জ্বল হৈ আছে। অভিমানী কুবেৰে কথা কমকৈ কয়। ভাৱে অধিক। নিষ্ঠুৰ ভবিষ্যতক বুজি পাই শংকিত হলেও তাক সলনি কৰি নিজৰ অনুকূলে পৰিবেশ সৃষ্টি কৰাৰ ক্ষমতা কুবেৰৰ নাই। সেই খিনিতেই কুবেৰৰ চৰিত্ৰই পাঠকৰ সহানুভূতি আদায় কৰিবলৈ সক্ষম হৈছে।

## হোসেন মিঞা ঃ

উপন্যাসৰ দ্বিতীয় অধ্যায়ত প্ৰথম লগ পোৱা যায় বিচিত্ৰ ৰহস্যময় চৰিত্ৰৰ হোসেন মিঞাক। উপন্যাসৰ কাহিনী অনুসৰি কিছুবছৰৰ পৰা কেতুপুৰত বসবাস কৰা হোসেনৰ পুৰণি ঘৰ আছিল নোয়াখালি অঞ্চলত। এখন ফটা লুঙি পিন্ধি, ৰুক্ষ চুলি আৰু শুকান ফপৰীয়া ছালৰ হোসেনে প্ৰথমে কেতুপুৰলৈ আহি মুছলমান মাঝি জহৰৰ ঘৰত আশ্ৰয় লৈছিল। জহৰৰ নাও বাইছিল। কিন্তু বৰ্ত্তমান হোসেন ধনী মানুহ। দীঘল পাঞ্জাবী চোলাৰে ঢাকিৰখা শৰীৰটো তেল-টেঙা সানি চিকচিকীয়া কৰি ৰাখে। মাটি-বাৰী কিনি কেতুপুৰতে ঘৰ-দুৱাৰ সাজি দুগৰাকী পত্নীৰে সৈতে দুখে-সন্তোষে দিন কটোৱা হোসেন মিঞাই অজস্ৰ টকা-পইচা ইমান সোনকালে লাভ কৰাৰ ৰহস্য গাঁওবাসীয়ে বুজি নাপায়। হোসেনৰ ব্যৱহাৰ বৰ অমায়িক। হাঁহিমুখীয়া কোমল মানুহজনৰ ভিতৰত সোমাই থকা প্ৰকৃত ৰূপটো হ'ল—

*"... যে শত্ৰু, যে তাহাৰ ক্ষতি কৰে, শাস্তি সে তাহাকে নিৰ্মমভাবেই দেয় কিন্তু তাহাকে কেহ কোনদিন ৰাগ কৰিতে দেখিয়াছে বলিয়া স্মৰণ কৰিতে পাৰে না।" (পৃঃ ২১)*

ধনী দুখীয়াৰ পাৰ্থক্য নাৰাখি জেলেপাৰাৰ দুখীয়া মানুহৰ ঘৰৰ মজিয়াত বহি হোসেনে আন্তৰিকতাৰে কথা পাতে, হোকা খায়। সকলোৰে সৈতে সমান ব্যৱহাৰ কৰে—

*'এইসব অৰ্ধ-উলঙ্গ নোংৰা মানুষগুলিৰ জন্য বুকে যেন তাহাৰ ভালবাসা আছে। উপৰে উঠিয়া গিয়াও ইহাদেৰ আকৰ্ষণে নিজেকে সে যেন টানিয়া নীচে নামাইয়া আনে।' (পৃঃ ২১)*

কিন্তু জীৱন যুদ্ধত জয়-পৰাজয়ৰ একেবাৰে মিলন সীমাত বাস কৰা জেলেপাৰাবাসীয়ে হোসেনক বিশ্বাস কৰিব নোৱাৰে। দাল-দৰিদ্ৰ জেলেপাৰাবাসীয়ে